**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 21-04-2026 **Time:** 19-10 Hrs

***Assamese EveningBulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::::**

১। দেশৰ প্ৰশাসনিক ব্যৱস্থা নিয়াৰিকৈ পৰিচালনা কৰা চৰকাৰী বিষয়াসকলৰ কৰ্মৰাজিক সন্মান জনোৱাৰ উদ্দেশ্যে আজি অসামৰিক সেৱা দিৱস পালন কৰা হৈছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আজি তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচী লৈ জাৰ্মানীৰ মিউনিখত উপস্থিত হয়।

৩। পশ্চিম বংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে আজি বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰে।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰাণৰ মাজত হ'বলগীয়া আলোচনাক লৈ অনিশ্চিয়তাই দেখা দিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত ছানৰাইজাৰ্ছ হায়দৰাবাদ, দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

আজি অসামৰিক সেৱা দিৱস। দেশৰ প্ৰশাসনিক ব্যৱস্থা নিয়াৰিকৈ পৰিচালনা কৰা চৰকাৰী বিষয়াসকলৰ কৰ্মৰাজিক সন্মান জনাবলৈ প্ৰতিবছৰে ২১ এপ্ৰিলত অসামৰিক সেৱা দিৱস উদযাপন কৰি অহা হৈছে। স্বাধীন ভাৰতৰ প্ৰথমগৰাকী গৃহমন্ত্ৰী চৰ্দাৰ বল্লভ ভাই পেটেলে ১৯৪৭ চনৰ আজিৰ দিনটোতে দিল্লীৰ মেটকাফ হাউচত প্ৰশাসনিক বিষয়াসকলৰ সৈতে মত বিনিময় কৰিছিল। সেই দিনটোক স্মৰণ কৰিয়েই ২০০৬ চনৰ পৰা প্ৰতি বছৰে এই দিৱস উদযাপন কৰি অহা হৈছে। এই বছৰৰ এই দিৱসৰ মূল বিষয়বস্তু হৈছে- বিকশিত ভাৰত ঃ নাগৰিক কেন্দ্ৰীক প্ৰশাসন আৰু প্ৰান্তীয় অঞ্চলত বাস কৰা লোকৰ উন্নয়ন সাধন।

অসামৰিক সেৱা দিৱস উপলক্ষে আজি গুৱাহাটীৰ খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাষ্ট্ৰীয় অসামৰিক সেৱা দিৱস উপলক্ষে অসামৰিক সেৱাৰ সৈতে জড়িত ব্যক্তিসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে অসামৰিক সেৱাৰ সৈতে জড়িত ব্যক্তিসকলৰ দায়বদ্ধতা আৰু কৰ্তব্যনিষ্ঠাই প্ৰশাসন ব্যৱস্থাক জনসাধাৰণৰ কাষ চপাই নিয়াৰ লগতে ৰাজহুৱা প্ৰতিষ্ঠানসমূহ পুনৰুজ্জীৱিত কৰি তোলে। নাগৰিক কেন্দ্ৰিক, ভৱিষ্যমুখী আৰু উদ্ভাৱনমূলক নীতি প্ৰণয়নেৰে অসামৰিক সেৱাৰ বিষয়াসকলে লক্ষ লক্ষ লোকৰ জীৱনৰ মান উন্নত কৰিব পাৰে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়। ভাৰত নতুন অভিলাষেৰে বিকাশৰ পথত অগ্ৰসৰ হোৱাৰ দিশত দেশ আৰু নাগৰিকসকলৰ মাজত ব্যৱধান দূৰ

কৰি আস্থাৰ পৰিৱেশ সৃষ্টি কৰাৰ মাধ্যমেৰে সৰ্বাত্মক বিকাশ কৰাৰ ক্ষেত্ৰত অসামৰিক সেৱাৰ বিষয়াসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে।

অষ্টাদশ অসামৰিক সেৱা দিৱস উপলক্ষে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজি নতুন দিল্লীত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে। তেওঁ কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেন্সন মন্ত্ৰ্যালয়ৰ অধীনৰ প্ৰশাসনিক সংস্কাৰ আৰু ৰাজহুৱা অভিযোগ বিভাগে আয়োজন কৰা এই অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতিয়ে কয় যে, অসামৰিক সেৱাৰ চৰকাৰৰ পৰিকল্পনা আৰু নীতি সমূহ তৃণমূল পৰ্যায়ত কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা আছে। তেওঁ কয়, যে চৰকাৰৰ পৰিকল্পনাসমূহ দেশৰ ৰাজধানীত গ্ৰহণ কৰা হয় যদিও এই পৰিকল্পনাসমূহ সঁচা অৰ্থত ৰূপায়ন হ'লেহে দেশৰ প্ৰান্তীয় আৰু দূৰ্গম গাওঁসমূহত ইয়াৰ প্ৰকৃত ফল পোৱা যাব। উপ-ৰাষ্ট্ৰপতিয়ে প্ৰয়াত চৰ্দাৰ বল্লৱভাই পেটেলক সদৌ ভাৰত সেৱাৰ পিতৃ পুৰুষ বুলি বৰ্ণনা কৰি কয়, যে চৰ্দাৰ পেটেলে সেৱা আৰু একতাৰ বলেৰে দেশবাসীক একগোট কৰিবলৈ সমৰ্থ হৈছিল। তেওঁ কয়, যে চৰ্দাৰ পেটেলৰ প্ৰচেষ্টাৰ বাবেই দেশ আজি ঔপনিবেশিক ভাৰতৰ পৰা বিকশিত ভাৰতলৈ যাত্ৰা কৰিবলৈ সমৰ্থ হৈছে। শ্ৰীৰাধাকৃষ্ণণে কয়,যে চৰকাৰৰ প্ৰচেষ্টাৰ বাবেই ভাৰতে আজি আন্তগাঁথনিত স্বাস্থ্য, শিক্ষা আদি খণ্ডত বিশ্বৰ মঞ্চত গৌৰৱেৰে থিয় দিব পাৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দিৱস উপলক্ষে দিয়া বাৰ্তাত কয়, যে সু-প্ৰশাসন আৰু ৰাষ্ট্ৰ গঢ়াৰ দিশত প্ৰতিশ্ৰুতিবদ্ধতাক শক্তিশালী কৰাৰ বাবে এই দিৱসে সকলোকে উৎসাহিত কৰে। তেওঁ কয়, যে তৃণমূল পৰ্যায়ত নীতি প্ৰণয়নৰ পৰা এই বিষয়াসকলৰ প্ৰচেষ্টাই অগণন লোকৰ জীৱনৰ মান উন্নয়ন কৰাৰ লগতে দেশৰ প্ৰগতিত অৰিহণা যোগায়। গৃহমন্ত্ৰী অমিত শ্বাহে ৰাষ্ট্ৰীয় অসামৰিক সেৱা দিৱস উপলক্ষে অসামৰিক সেৱাৰ সৈতে জড়িত প্ৰতিগৰাকী ব্যক্তিলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ বাৰ্তাযোগে শ্ৰী শ্বাহে কয়, যে এই বিষয়াসকলৰ নীতি প্ৰণয়ন আৰু প্ৰশাসন ব্যৱস্থাক শক্তিশালী কৰাৰ ক্ষেত্ৰত ভূমিকাই ৰাষ্ট্ৰ গঢ়াৰ দিশত উল্লেখযোগ্য বৰঙণি যোগাই আহিছে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আজি তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচী লৈ জাৰ্মানীৰ মিউনিখত উপস্থিত হয়। ইয়াৰ পাছত তেওঁ বাৰ্লিনলৈ যায়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীসিঙে জাৰ্মান বায়ুসেনাৰ বিশেষ বিমানেৰে মিউনিখলৈ লৈ যোৱাৰ আৰু যুঁজাৰু বিমানেৰে তেওঁক সুৰক্ষা প্ৰদান কৰাৰ বিষয়ে অৱগত কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীক বাৰ্লিনত সামৰিক অভিবাদন প্ৰদান কৰা হয়।

এই ভ্ৰমণকালত শ্ৰীসিঙে জাৰ্মানীৰ প্ৰতিৰক্ষা মন্ত্ৰী বৰিচ পিষ্ট'ৰিয়াছ আৰু অন্যান্য নেতৃবৰ্গৰে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। এই আলোচনাত ভাৰত আৰু জাৰ্মানীৰ মাজত কৌশলগত প্ৰতিৰক্ষা অংশীদাৰিত্বক শক্তিশালী কৰাৰ বিষয়ে দুয়োপক্ষই মত বিনিময় কৰিব। ভাৰত আৰু জাৰ্মানীৰ প্ৰতিৰক্ষা মন্ত্ৰীদ্বয়ৰ মাজত প্ৰতিৰক্ষা ঔদ্যোগিক সহযোগিতা কৰ্মসূচী আৰু ৰাষ্ট্ৰসংঘ শান্তিৰক্ষা অভিযানৰ প্ৰশিক্ষণত সহযোগিতাৰ বাবে যাৱতীয় প্ৰস্তুতি সন্দৰ্ভত চুক্তি স্বাক্ষৰ হোৱাৰ আশা আছে। যৌথ উন্নয়ন আৰু মে'ক ইন ইণ্ডিয়া কাৰ্যসূচীৰ অধীনত সহ উৎপাদনত গুৰুত্ব দি প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰীসিঙে জাৰ্মান প্ৰতিৰক্ষা উদ্যোগৰ আগশাৰীৰ প্ৰতিনিধিবৰ্গৰ

সৈতে আলোচনাত মিলিত হ'ব। ভাৰত আৰু জাৰ্মানীৰ মাজত শক্তিশালী বহুপাক্ষিক কৌশলগত অংশীদাৰিত্ব আছে। শেহতীয়াকৈ প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগিতাতো দুয়োখন দেশৰ মাজত অংশীদাৰিত্ব বৃদ্ধি হৈছে।

০০০০০০০

পশ্চিম বংগ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে আজি বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰে। প্ৰচাৰ অভিযানৰ অন্তিম দিনা কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি পশ্চিম বৰ্ধমানৰ কুল্‌টিত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। শ্ৰীশ্বাহে শাসকীয় দল তৃণমূল কংগ্ৰেছক চোকা ভাষাৰে সমালোচনা কৰি কয় যে মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ চৰকাৰৰ দিনত ৰাজ্যখনত ব্যাপক দুৰ্নীতি সংঘটিত হৈছে আৰু বিশৃংখলৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। মহিলাৰ বিৰুদ্ধে সংঘটিত বৰ্ধিত হিংসাৰ ঘটনাৰ বিষয়ে উল্লেখ কৰি তেওঁ ৰাজ্যখনত মহিলাসকল মুঠেও সুৰক্ষিত নহয় বুলি দাবী কৰে। তেওঁ কয় যে মুখ্যমন্ত্ৰীয়ে এনে ব্যৰ্থতাৰ বাবে লজ্জা অনুভৱ কৰা উচিত।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লগতে ৰাজ্য চৰকাৰে ধনৰ বিনিময়ত চাকৰি বিক্ৰী কৰা, অবৈধ খননৰ অনুমতি প্ৰদান আৰু অবৈধ সৰবৰাহৰ ঘটনাৰ সৈতে জড়িত হোৱা বুলি অভিযোগ তোলে। বিজেপি চৰকাৰ ক্ষমতালৈ আহিলে সুশাসন সুনিশ্চিত কৰা হ'ব, উমৈহতীয়া দেৱানী বিধি ৰূপায়ণ কৰা হ'ব আৰু বছৰি ১ লাখ চাকৰিৰ সৃষ্টি কৰা হ'ব বুলিও শ্ৰীশ্বাহে প্ৰতিশ্ৰুতি প্ৰদান কৰে। তেওঁ লগতে কোনো কল্যাণমূলক আঁচনি বন্ধ কৰা নহয় বুলি আশ্বাস দিয়ে। ভোটগণনাৰ পাছত বিজেপিয়ে চৰকাৰ গঠন কৰিলে দুৰ্নীতিগ্ৰস্ত নেতাসকলক কাৰাগাৰলৈ প্ৰেৰণ কৰা হ'ব বুলি শ্ৰীশ্বাহে সকিয়াই দিয়ে। বিজেপি নেত্ৰী ৰেখা গুপ্তাই আছনছ'লত এটা ৰোড শ্ব'ত ভাগ লয়।

ইপিনে, তৃণমূল কংগ্ৰেছৰ মুৰব্বী তথা মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে হালদিয়াত এখন নিৰ্বাচনী সভাত ভাগ লয়। শ্ৰীমতী বেনাৰ্জীয়ে বিজেপিয়ে ভুৱা প্ৰতিশ্ৰুতিহে প্ৰদান কৰে বুলি অভিযোগ তোলে। কংগ্ৰেছ, বাও আৰু অন্য দলসমূহেও ৰাজ্যখনৰ ঠায়ে ঠায়ে ভোটদাতাৰ মন জয় কৰাৰ বাবে প্ৰচাৰৰ অন্তিম দিনটোত আপ্ৰাণ চেষ্টা চলায়।

০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰাণৰ মাজত হ'বলগীয়া আলোচনাক লৈ অনিশ্চিয়তাই দেখা দিছে। ইৰাণৰ মুখ্য মধ্যস্থতাকাৰী তথা সংসদৰ অধ্যক্ষ মহম্মদ বাকৰ কালিৱাফে সামাজিক মাধ্যমযোগে কৈছে যে তেহৰান ভাবুকিৰ ছাঁত আলোচনাৰ পক্ষপাতি নহয় আৰু দেশখনে যুদ্ধৰ বাবে নতুন ৰূপত সাজু হৈছে। ইৰানৰ চৰকাৰী টিভি চেনেলেও তেহৰানৰ কোনো প্ৰতিনিধি দল বৰ্তমানলৈ ইছলামাবাদ উপস্থিত হোৱা নাই বুলি বাতৰি প্ৰকাশ কৰিছে। ইপিনে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইৰাণৰ বিৰুদ্ধে আমেৰিকা যুক্তৰাষ্ট্ৰৰ যুদ্ধক লৈ মিশ্ৰিত বাৰ্তা দিছে। শ্ৰীট্ৰাম্পে সংঘৰ্ষৰ অৱসান ঘটাবলৈ তেওঁ খৰখেদা কৰা নাই বুলি ঘোষণা কৰিছে। ৰাষ্ট্ৰপতি ট্ৰাম্পে দেশখনৰ উপ-ৰাষ্ট্ৰপতি জে ডি ভেন্সে আলোচনাত আমেৰিকান দলৰ প্ৰতিনিধিত্ব কৰাৰ সম্ভাৱনা আছে বুলি ইংগিত দিছে। শ্ৰীট্ৰাম্পে কয় যে যুদ্ধবিৰতিৰ ম্যাদ শেষ হোৱাৰ পূৰ্বে তেওঁ এই চুক্তিৰ ম্যাদ বৃদ্ধি কৰাৰ পক্ষপাতি নহয়।

০০০০০০০

জ জাপানে আজি মাৰাত্মক অস্ত্ৰ-শস্ত্ৰ ৰপ্তানিৰ ক্ষেত্ৰত থকা দেশখনৰ নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰিছে। এই ঘোষণাৰ পিছতেই চীন আৰু উত্তৰ কোৰিয়াৰ আক্ৰমণক লৈ উদ্বেগৰ মাজত জাপানে নিজৰ অস্ত্ৰ-শস্ত্ৰ উদ্যোগ গঢ়ি তুলিবলৈ চেষ্টা কৰি দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ শান্তিপূৰ্ণ নীতিত গুৰুত্বপূৰ্ণ পৰিৱৰ্তন ঘটাইছে। প্ৰধানমন্ত্ৰী ছানে তাকাইচিৰ কেবিনেটৰ নতুন নিৰ্দেশনাৰ অনুমোদনে জাপানৰ বিকশিত যুদ্ধজাহাজ, যুঁজাৰু ড্ৰোন আৰু অন্যান্য অস্ত্ৰ-শস্ত্ৰকে ধৰি বহুতো অস্ত্ৰ-শস্ত্ৰ বিক্ৰীৰ বাবে থকা বাধা কৰিছে। সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত মুখ্য কেবিনেট সচিব মাইনাৰ কিহাৰাই কয়, যে নতুন নীতিয়ে জাপানৰ সুৰক্ষা নিশ্চিত কৰিব আৰু দেশখনৰ চাৰিওফালে নিৰাপত্তা পৰিৱেশ দ্ৰুতগতিত সলনি হোৱাৰ লগে লগে অঞ্চলটো আৰু আন্তঃৰাষ্ট্ৰীয় সমাজত শান্তি আৰু সুস্থিৰতাত অধিক অৰিহণা যোগাব। তেওঁ লগতে কয়, যে চৰকাৰে জাপানৰ বাবে আকাংক্ষিত নিৰাপত্তা পৰিৱেশ সৃষ্টি কৰিবলৈ আৰু যুঁজাৰু স্থিতিস্থাপকতাক সমৰ্থন কৰিব পৰা ঔদ্যোগিক ভিত্তি গঢ়ি তুলিবলৈ প্ৰতিৰক্ষা সঁজুলি স্থানান্তৰক কৌশলগতভাৱে প্ৰচাৰ কৰিব। জাপানৰ ৰপ্তানী নীতিৰ পৰিৱৰ্তনক অষ্ট্ৰেলিয়াসহ জাপানৰ প্ৰতিৰক্ষা অংশীদাৰসকলে আদৰণি জনাইছে আৰু দক্ষিণ-পূব এছিয়া আৰু ইউৰোপেও আগ্ৰহ প্ৰকাশ কৰিছে যদিও চীনে এই সিদ্ধান্তক সমালোচনা কৰিছে।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ, দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত অনুষ্ঠিত হ'ব।

0000000

সমাপ্ত